জাতিৰ আৱেগ সমাজৰ বিৱেক

# দৈনিক জনমভূমি

portal : www.dainikjanambhumi.com e-paper : www.dainikjanambhumi.co.in Dainik Janambhumi

...শতিতম বছৰ, সংখ্যা ১৭৬ ● বুধবাৰ ● ২০ ফাগুন ১৯৪৬ শক RNI No. ASSASS/2006/16737 DAINIK JANAMBHUMI Tinsukia Wednesday March 5, 2025 ● ১৪ পৃষ্ঠা ● তিনিচুকীয়া, যোৰহাট, গুৱাহাটী আৰু বঙাইগাঁও

তত্ত্বাৱধায়কো উপস্থিত থাকিব।

## ...শৈক্ষিক মেলা

...য়া ঃ ষ্টাফ ৰিপৰ্টাৰ, ৪ মাৰ্চ ঃ ...তিনিচুকীয়া নগৰ শিক্ষাখণ্ডৰ ...মল কেন্দ্ৰ-২ৰ অন্তৰ্গত বিপিন ...মাধ্যমিক বিদ্যালয়ৰ প্ৰাংগণত ...ীৰ শৈক্ষিক মেলা উদযাপন ...। উক্ত অনুষ্ঠানৰ আৰম্ভণিতে ...লন কৰে বিদ্যালয়ৰ প্ৰধান ...বৰাই। মণ্ডল কেন্দ্ৰ সমন্বয়ক ... বৰদলৈ আৰু বিদ্যালয়ৰ ...শিক্ষক মৃদুল বৰদলৈয়ে আঁত ...ষ্ঠানটোৰ ফিতা কাটি শুভ ... কৰে তিনিচুকীয়া শিক্ষাখণ্ডৰ ...ন ব্যক্তি দুৰ্জয় লোচন চেতিয়াই ...গতে তেওঁ উদ্বোধনী ভাষণ ...শৈক্ষিক মেলাৰ উদ্দেশ্য ...ৰ্ক বিশদভাৱে বক্তব্য ...ায়। অনুষ্ঠানটোত সমগ্ৰ ...জিলা আঁচনি বিষয়া মণিমা ..., হাপজান শিক্ষাখণ্ডৰ খণ্ড ...্যক্তি দিতুল চেতিয়াই ...নত উপস্থিত থাকি ...লৰ সৰ্বাংগীণ বিকাশ ... বক্তব্য আগবঢ়ায়।

## কানৈ মহাবিদ্যালয়ত বাৰ্ষিক খেল সপ্তাহৰ মুকলি সভা আৰু বঁটা বিতৰণী সভা

# অভিজ্ঞতাই জীৱনক সঠিক দিশত আগুৱাই নিয়াত সহায় কৰে ঃ ড° বৰকটকী

ডিব্ৰুগড় ঃ ষ্টাফ ৰিপৰ্টাৰ, ৪ মাৰ্চঃ অভিজ্ঞতাই জীৱনক সঠিক দিশত আগুৱাই নিয়াত সহায় কৰে। ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয়ৰ ৭৯ সংখ্যক বাৰ্ষিক মহাবিদ্যালয় সপ্তাহৰ ২ মাৰ্চৰ মুকলি সভা আৰু বঁটা বিতৰণী অনুষ্ঠানত উপস্থিত থাকি ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ ছাত্ৰ পৰিক্ৰমাৰ ডীন ড° সুৰজিৎ বৰকটকীয়ে এইদৰে কয়। ড° বৰকটকীয়ে কয় যে উপলব্ধিয়ে পৰৱৰ্তী সময়ত জীৱনটোক আগুৱাই নিয়াত সহায় কৰে। জীৱনৰ ভাল-বেয়া উপলব্ধিয়ে সফলতা লাভ কৰাত সহায় কৰে। ছাত্ৰী আবৃতা লীজা পাঠকে আঁত ধৰা অনুষ্ঠানটোত তেওঁ ছাত্ৰ-ছাত্ৰীসকলক উদ্দেশ্যি কয় যে প্ৰতিযোগিতাত অংশ গ্ৰহণ কৰিলে জীৱনত এক নতুন অভিজ্ঞতা লাভ কৰাত সহায় কৰে আৰু জীৱনক উত্তৰণ ঘটোৱাত সহায় কৰে। পুৱা ছাত্ৰ-ছাত্ৰীসকলে বাৰেৰহণীয়া শোভাযাত্ৰাৰে শুভাৰম্ভ কৰা অনুষ্ঠানটোত তেওঁ



কয় যে ছাত্ৰ অৱস্থাত অধিক অভিজ্ঞতা লাভ কৰিবলৈ চেষ্টা কৰিব লাগে, যি অভিজ্ঞতাই পৰৱৰ্তী সময়ত জীৱনটোক সঠিক দিশত আগুৱাই নিয়াত সহায় কৰে। ছাত্ৰ একতা সভাৰ সভাপতি প্ৰাঞ্জল তাঁতীয়ে উদ্দেশ্য ব্যাখ্যা কৰা অনুষ্ঠানটোত মহাবিদ্যালয়ৰ অধ্যক্ষ ড° শশীকান্ত শইকীয়াই কয় যে সাম্প্ৰতিক সময়ত শিক্ষাৰ্থীসকলে প্ৰমাণ- পত্ৰ লাভ কৰাতকৈ দক্ষতা আহৰণৰ ওপৰতহে গুৰুত্ব দিয়া উচিত। পৃথিৱীত বৰ্তমান দক্ষতা আহৰণ কৰা, দক্ষতা অৰ্জন কৰাতহে গুৰুত্ব দিয়া হৈছে। অনুষ্ঠানটোত মহাবিদ্যালয়ৰ পৰীক্ষাসমূহৰ সমন্বয়ক ড° মৃদুল শৰ্মা, সমন্বয়ক ছাত্ৰ সম্পৰ্ক ড° জ্যোতি প্ৰসাদ ফুকন, অসম কলেজ শিক্ষক সংস্থা কানৈ মহাবিদ্যালয় গোটৰ সভানেত্ৰী ড° চন্দনা গোস্বামীয়ে ছাত্ৰ-ছাত্ৰীসকলক উদ্দেশ্যি বক্তব্য আগবঢ়ায়। বাৰ্ষিক মহাবিদ্যালয় সপ্তাহত ক্ৰমে শ্ৰেষ্ঠ গায়কৰ বঁটা লাভ কৰিবলৈ সক্ষম হয় পৰিসংখ্যা বিভাগৰ ছাত্ৰী আকাংক্ষা প্ৰাপ্তিয়ে, শ্ৰেষ্ঠ বিভাগৰ বঁটা লাভ কৰে ৰাজনীতি বিজ্ঞান বিভাগে, শ্ৰেষ্ঠ নাট্যদল হিচাপে বিজয়ী হৈ বঁটা লাভ কৰে ৰুক্মিণী কানৈ ছাত্ৰী নিৱাসে, শোভাযাত্ৰাত নৃ-তত্ত্ব বিভাগে শ্ৰেষ্ঠ দল হিচাপে বঁটা লাভ কৰে, শ্ৰেষ্ঠ শৃংখলাবদ্ধ বিভাগৰ সন্মান লাভ কৰে শিক্ষাতত্ত্ব বিভাগে, কুচকাৱাজ প্ৰতিযোগিতাত শ্ৰেষ্ঠ দল হিচাপে বঁটা লাভ কৰে অসমীয়া বিভাগে।